**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ আজি বিয়লি লোকসভাত উত্তৰ দিব।

২। অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই ৰাজ্যসভাত বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনাইছে।

৩। প্ৰধানমন্ত্ৰীয়ে এন ডি এৰ সাংসদসকলক সংসদৰ নিয়ম মানি চলিবলৈ, সংসদীয় সিদ্ধান্ত বৰ্তাই ৰাখিবলৈ আৰু ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে।

৪। ৰাজ্যৰ বান পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছে। সাম্প্ৰতিক বানত ৰাজ্যৰ ২০খন জিলাৰ ৬ লাখ ৪০ হাজাৰতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

আৰু

৫। ভাৰতীয় ক্ৰিকেট দল ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাব্'ৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ আজি বিয়লি লোকসভাত উত্তৰ দিব। তেওঁ লগতে কাইলৈ ৰাজ্যসভাক সম্বোধন কৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ অন্তত এই কথা প্ৰকাশ কৰে।

ইপিনে, লোকসভাত ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে আজি কয় যে বৰ্তমান চৰকাৰৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা নাই আৰু আই এন ডি এ মিত্ৰজোঁটৰ বাবে এয়া বিজয় স্বৰূপ। শ্ৰী যাদৱে লগতে ভাৰতীয় অৰ্থ ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশ ৰূপে পৰিগণিত হোৱা সত্ত্বেও জনমূৰি আয় এতিয়াও কম হৈ আছে। প্ৰশ্নকাকত ফাদিলৰ বিষয় লৈ চৰকাৰক আক্ৰমণ কৰি সমাজবাদী পাৰ্টীৰ নেতাগৰাকীয়ে কয় যে চৰকাৰে যুৱক-যুৱতীসকলক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিব নিবিচাৰে।

আলোচনাত ভাগ লৈ বিজেপিৰ সন্তোষ পাণ্ডেই লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে কালি কৰা মন্তব্যক লৈ আপত্তি দৰ্শায়। সাংসদগৰাকীয়ে বৰ্তমান চৰকাৰৰ সাফল্যত আলোকপাত কৰি কয় যে আন্তঃগাঁথনি খণ্ডত ভালেমান উন্নয়নমূলক কাম কৰা হৈছে। দৰং-ওদালগুৰিৰ বিজেপি সাংসদ দিলীপ শইকীয়াই কয় যে হিন্দু আদৰ্শ আৰু সনাতন সংস্কৃতিৰ বাবে দেশ ধৰ্ম নিৰপেক্ষ হৈ আছে। ৰাহুল গান্ধীয়ে এটা বিশেষ সম্প্ৰদায়ক সমালোচনা কৰাৰ বাবে ক্ষমা খোজা উচিত বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা বলৱৎ কৰি গণতন্ত্ৰ আৰু সংবিধানক ধ্বংস কৰাৰ চেষ্টা চলাইছিল আৰু ৰাহুল গান্ধীয়ে তাৰ বাবেও ক্ষমা খোজা উচিত। তেওঁ লগতে কয় যে কংগ্ৰেছে দেশৰ প্ৰগতি নিবিচাৰে। কংগ্ৰেছে বিগত তিনিটা লোকসভা নিৰ্বাচনত বিজেপিয়ে এইবাৰৰ সাধাৰণ

নিৰ্বাচনত লাভ কৰাৰ সমানো আসন লাভ কৰিবলৈ সমৰ্থ হোৱা নাই বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। কংগ্ৰেছ আৰু দুৰ্নীতি একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্যসভাতো ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাত অংশগ্ৰহণ কৰি অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ ছটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো উত্থাপন কৰে। তেওঁ লগতে বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনায়। ৰাজ্যখনৰ অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয় লৈ মন্তব্য কৰে আৰু ৰাজ্যখনৰ থলুৱা জনসাধাৰণৰ পৰিচয় সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লোৱাৰ আৱশ্যকতাৰ গুৰুত্ব আৰোপ কৰে।

বিজেপিৰ অশোক ৰাও চৱনে কয় যে নিৰ্বাচনৰ সময়ত তেওঁৰ দলে সংবিধান সলনি কৰিব বুলি এটা ভুল ব্যাখ্যা আগবঢ়োৱা হৈছিল। নীট পৰীক্ষাৰ বিষয় লৈ মত প্ৰকাশ কৰে। সাংসদগৰাকীয়ে কয় যে দোষীসকলক কৰায়ত্ত কৰা উচিত আৰু ঘটনাটোৰ নিকা তদন্ত হ'ব লাগে। বিষয়টোক লৈ চৰকাৰৰ দৃষ্টিভংগী স্পষ্ট বুলিও তেওঁ মন্তব্য কৰে। বিজেপি সাংসদগৰাকীয়ে কয় যে ৰাষ্ট্ৰপতিয়ে তেওঁৰ ভাষণত বিগত ১০ বছৰত চৰকাৰে লাভ কৰা সাফল্য আৰু চৰকাৰৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে মন্তব্য কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ সাংসদসকলক সংসদৰ নিয়ম মানি চলিবলৈ, সংসদীয় সিদ্ধান্ত বৰ্তাই ৰাখিবলৈ আৰু ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে। নতুন চৰকাৰ গঠন হোৱাৰ পাছত এন ডি এৰ সংসদীয় দলৰ প্ৰথমলানি বৈঠকক সম্বোধন কৰি শ্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে প্ৰধানমন্ত্ৰীয়ে এন ডি এৰ সকলো সাংসদক ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ কৈছে। শ্ৰী ৰিজিজুৱে কয় যে বৈঠকত প্ৰধানমন্ত্ৰীয়ে দল নিৰ্বিশেষে প্ৰত্যেকগৰাকী সাংসদক দেশৰ সেৱা কৰিবলৈ নিৰ্বাচন কৰা আৰু ৰাষ্ট্ৰ সেৱাই তেওঁলোকৰ আটাইতকৈ ডাঙৰ দায়িত্ব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে পানী, পৰিৱেশ আৰু সামাজিক খণ্ডৰ লেখিয়া নিজৰ নিজৰ আগ্ৰহৰ বিষয়ত বিশেষ দক্ষতা আহৰণ কৰিবলৈ সাংসদসকলক উৎসাহিত কৰে। শ্ৰী মোদীয়ে প্ৰতিগৰাকী সাংসদক তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক প্ৰধানমন্ত্ৰী সংগ্ৰহালয় দেখুৱাবলৈ আহ্বান কৰে। শ্ৰী ৰিজিজুৱে কয় যে এই সংগ্ৰহালয়ত কোনোধৰণৰ ৰাজনৈতিক বৈষম্য অবিহনে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ পৰা বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ সকলো প্ৰধানমন্ত্ৰীৰ যাত্ৰা সুন্দৰকৈ উপস্থাপন কৰা হৈছে। ইয়াৰ পূৰ্বে এন ডি এ নেতা-সদস্যসকলে শ্ৰী মোদীক একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে।

ooooooooo

ৰাজ্যৰ বান পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছে। প্ৰলয়ংকৰী বানত ৰাজ্যৰ ২০খন জিলাৰ ৬ লাখ ৪০ হাজাৰতকৈও অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানত পৰি ধেমাজি আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পালে। আনহাতে, গোলাঘাট জিলাৰ এজন লোক সন্ধানহীন হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি গোলাঘাটলৈ যাব। জিলা তথ্য আৰু জনসংযোগ বিভাগে প্ৰকাশ কৰা অনুসৰি মুখ্যমন্ত্ৰীগৰাকীয়ে মহুৰামুখৰ বংকোৱাল মথাউৰি আৰু কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা সাহায্য শিবিৰ পৰিদৰ্শন কৰিব।

ooooooooo

থাইলেণ্ডৰ টাক্ প্ৰদেশৰ ফ'ৰ্ট বাচিৰাপ্ৰকানত চলিত মাহৰ পহিলা তাৰিখৰ পৰা অহা ১৫ জুলাইলৈ অনুষ্ঠিত হোৱা ভাৰত-থাইলেণ্ড যৌথ সামৰিক অনুশীলনৰ ত্ৰয়োদশ সংস্কৰণ 'মৈত্ৰী' কাৰ্যসূচীৰ বাবে ভাৰতীয় সামৰিক বাহিনীৰ

জোৱানৰ এটা দল দেশখনলৈ কালি ৰাওনা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে ৭৬ জন জোৱানক লৈ ভাৰতীয় সেনা বাহিনীৰ বেটেলিয়নৰ লাডাখ  স্কাউটৰ আৰু অন্যান্য অস্ত্ৰ-শস্ত্ৰ সেৱাৰ লোকে প্ৰতিনিধিত্ব কৰিছে।  থাইলেণ্ড সেনাবাহিনীৰ ৭৬ জনীয়া জোৱানৰ দলটোত মূলতঃ প্ৰথম বেটেলিয়ন, চতুৰ্থ ডিভিজনৰ ১৪ গৰাকী ইনফেণ্টি ৰেজিমেণ্টৰ লোকো আছে।

'মৈত্ৰী' অনুশীলনৰ মূল উদ্দেশ্য হৈছে ভাৰত আৰু থাইলেণ্ড মাজৰ সামৰিক সহযোগিতা বৃদ্ধি কৰা। মন্ত্ৰালয়ে কৈছে যে এই অনুশীলনে ৰাষ্ট্ৰসংঘৰ চনদৰ সপ্তম অনুশীলনীত উল্লেখ কৰা জংঘলত আৰু নগৰীয়া পৰিৱেশত যুটীয়াভাৱে উগ্ৰপন্থী আৰু সন্ত্ৰাসবাদী অভিযান চলাব। এই অনুশীলনে শাৰীৰিক ক্ষমতা যুটীয়া পৰিকল্পনা আৰু যৌথ অভিযান কৌশলত গুৰুত্ব প্ৰদান কৰিব। এই অনুশীলনে দুয়োখন দেশৰ ৰণনীতি আৰু অভিযান কৌশল বিনিময় কৰিব।  এই অনুশীলনৰ শেষৰটো সংস্কৰণ ২০১৯ চনত মেঘালয়ৰ ওমৰৈত সম্পন্ন হৈছিল।

ooooooooo

ঝাৰখণ্ডত ৰাজ্যজুৰি চলি থকা যুটীয়া অভিযানৰ সময়ত ছগৰাকী মাওবাদীক আটক কৰা হয়। ইয়াৰে চাৰিজন লাটেহাৰ জিলাৰ ঘন জংঘলত, আন এজন ৰাঁচী আৰু খুন্তি জিলাৰ পৰা আটক কৰা হৈছে। ধৃত মাওবাদী কেইজনৰ পৰা অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ আপত্তিজনক সাহিত্য আদি জব্দ কৰা হৈছে। অন্যহাতে, এজন মাওবাদীয়ে ৰাঁচী আৰক্ষীৰ ওচৰত আত্মসমৰ্পন কৰিছে।

ooooooooo

আম আদমী পাৰ্টীৰ সাংসদ স্বাতী মালিৱালে দিল্লী চৰকাৰে প্ৰণালীবদ্ধভাৱে দিল্লী মহিলা আয়োগ ভংগ কৰাৰ অভিযোগ উত্থাপন কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাললৈ লিখা এখন পত্ৰত শ্ৰীমতী মালিৱালে কয় যে তেওঁ আয়োগৰ নেতৃত্ব দিয়া সময়ছোৱাত নিৰ্মিত ব্যৱস্থাসমূহ চৰকাৰে ধ্বংস কৰিছে। তেওঁ আয়োগৰ কৰ্মচাৰীৰ অনাদায় দৰমহা, বাজেট কৰ্তন, কৰ্মচাৰীৰ অপসাৰণ আৰু নেতৃত্বৰ পদ খালী হোৱাৰ অভিযোগ কৰিছে। তেওঁ মহিলা হেল্পলাইন নম্বৰ প্ৰত্যাহাৰ কৰা ঘটনাটোতো উদ্বেগ প্ৰকাশ কৰিছে। শ্ৰীমতী মালিৱালে এই গোটেই বিষয়টোত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰাৰ লগতে মহিলা আৰু শিশুৰ প্ৰতি থকা চৰকাৰৰ দায়বদ্ধতা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে।

ooooooooo

ভাৰতীয় পুৰুষ ক্ৰিকেট দলটো অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাবুৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পৰ্টছ ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। ঘৰুৱা দলটোৱেও শৃংখলাৰ বাবে ১৭ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। জ্যেষ্ঠ খেলুৱৈ তথা বেটছমেন ছিকন্দৰ ৰাজাক যুৱ দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

ভাৰতে ইতিমধ্যে শৃংখলাত অংশগ্ৰহণ কৰিবলগীয়া ১৫ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। শুভমন গিলে ধ্ৰুৱ জুৰেল, ৰিয়ান পৰাগ, ৱাশ্বিংটন সুন্দৰ, ৰবি বিষ্ণইৰ দৰে খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব বহন কৰিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইৰ সচিব জয় শ্বাহে কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আসন্ন শৃংখলাটোৰ বাবে ভি ভি এছ লক্ষ্মণ ভাৰতীয় দলৰ সৈতে প্ৰশিক্ষক হিচাপে জিম্বাবুৱেত থাকিব যদিও নতুন প্ৰশিক্ষকে শ্ৰীলংকাৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাৰ পৰাহে ভাৰতীয় দলত যোগ দিব। তেওঁ লগতে কয় যে, অতি সোনকালে ভাৰতীয় দলৰ প্ৰশিক্ষক আৰু নিৰ্বাচকক নিযুক্তি দিয়া হ'ব।

ooooooooo

**সমাপ্ত**